অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং: ১২২
উত্তৰ দানৰ তাৰিখ : ০৮/ ০৭/ ২৬
*বিষয়ঃ* **কৃষি খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন আৰু মধ্যভোগী দালাল সম্পৰ্কে।**

বিধায়কৰ নাম : **শ্ৰীমজিবুৰ ৰহমানঃ**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) আমাৰ অসম ৰাজ্যৰ কৃষি খণ্ডৰ আন্তঃগাঁথনি আধুনিক প্ৰযুক্তিবিদ্যালৈ উন্নীত কৰণৰ কাম কিমান পৰ্য্যায়লৈ আগবাঢ়িছে আৰু এই ক্ষেত্ৰত চৰকাৰে কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে ? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।)
(খ) দৰং জিলাৰ অন্তৰ্গত ৫১ নম্বৰ দলগাঁও বিধানসভা সমষ্টিৰ নব্বৈ শতাংশ মানুহ কৃষিজীৱী। কৃষক সকলৰ সুবিধাৰ্থে আধুনিক প্ৰযুক্তিযুক্ত মেচিন যোগান ধৰিবলৈ চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি আৰু এই ক্ষেত্ৰত কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব ? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।)

(গ) কৃষক সকলে উৎপাদন কৰা শস্য, শাক-পাচলি আৰু কৃষি সামগ্ৰী মধ্য ভোগী দালালৰ বাবে বজাৰত উচিত মূল্য নাপাই বছৰৰ শেষত কৃষক সকলে লোকচানৰ সন্মুখীন হব লগা হয়। গতিকে কৃষক সকলৰ উৎপাদিত কৃষি সামগ্ৰী বজাৰত উচিত মূল্য পাবৰ বাবে চৰকাৰে কি ধৰণৰ পৰিকল্পনা কৰিছে আৰু মধ্যভোগী দালালৰ ক্ষেত্ৰত চৰকাৰে কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব বা কৰিছে ? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

## <u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিবঃ

**(ক)** অসম ৰাজ্যৰ কৃষি খণ্ডৰ আন্তঃগাঠনি আধুনিক প্ৰযুক্তি বিদ্যাৰে উন্নীত কৰাৰ ক্ষেত্ৰত কৃষি বিভাগে বিভিন্ন আঁচনি হাতত লৈছে। কৃষিক্ষেত্ৰৰ আন্তঃগাঠনি উন্নীতকৰণৰ বাবে যোৱা ৫ বছৰত অসম চৰকাৰৰ কৃষি বিভাগে ৰূপায়ণ কৰা আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল -

১) RIDF আঁচনিৰ অধীনত অসমৰ বিভিন্ন জিলাত মুঠ ২৬টা কৃষি ভূমিৰ পৰীক্ষণ আৰু গুণাগুণ নিৰ্ধাৰণ কেন্দ্ৰ (STQC & IT Lab) স্থাগন কৰা হৈছে।

২) APART-ৰ অধীনত অসমৰ বিভিন্ন জিলাত মুঠ ৯৩টা কৃষি সম্প্ৰসাৰণ বিষয়াৰ কাৰ্য্যালয় স্থাপন, ৯৬ খন বজাৰৰ উন্নীতকৰণ আৰু কৃষকৰ যাতায়তৰ সুবিধাৰ বাবে ২১৩ কি.মি. ৰাস্তা গোটেই বছৰতে ব্যৱহাৰ কৰিব পৰাকৈ পুনৰ নিৰ্মাণ কৰা হৈছে।

৩) RIDF আঁচনিৰ অধীনত ৯৬ টা জ্ঞানকেন্দ্ৰ তথা প্ৰশিক্ষণ কেন্দ্ৰ অসমৰ বিভিন্ন জিলাত কৃষকৰ সুবিধাৰ্থে স্থাপন কৰি থকা হৈছে। তাৰে ভিতৰত ৭৬টা জ্ঞানকেন্দ্ৰ সম্পূৰ্ণ হৈ উঠিছে আৰু ২০টাৰ নিৰ্মাণকাৰ্য অতি সোনকালে সম্পূৰ্ণ হৈ উঠিব।

ইয়াৰোপৰি ডিজিতেল কৃষি, দ্ৰোণ ডিডি, সাৰ এপ, কল্ড ষ্টোৰেজ স্থাপনৰ বাবে ৰাজসাহাৰ্য্য কীটনাশক পৰীক্ষাগাৰ স্থাপন, আধুনিক ধৰণৰ কৃষি যান্ত্ৰিকীকৰ্ণ, আৰু জলসিঞ্চনৰ ব্যৱস্থা, ইন্দো ইজৰাইল প্ৰকল্পৰ দ্বাৰা অত্যাধুনিক শাক পাচলিৰ কৃষি ব্যৱস্থা এম.এছ.পিৰ জৰিয়তে ধান, সৰিয়হ, মাকৈৰ বিক্ৰী, অধিক বজাৰ মূল্য পাবৰ বাবে এফ.পি.ও বোৰক শক্তিশালী কৰা আদি ব্যৱস্থা লোৱা হৈছে।

**(খ)** দৰং জিলাৰ অন্তৰ্গত ৫১ নং দলগাঁও সমষ্টিত বিগত ২ বছৰত (২০২৪-২৬) RIDF (Rural Infrastructure Development Fund) আৰু SMAM (Submission on Agricultural Mechanization) আঁচনিৰ অধীনত মুঠ ৬৬ গৰাকী কৃষকক লাভান্বিত কৰা হয়। যেনে- STW-Solar Pumpset = 22 জন, VLFMB (Village level Farm Machinery Bank) = ৭ জন, পাৱাৰ টিলাৰ = ৩৬ জন, ধান কটা যন্ত্ৰ (Paddy Reeper) = ১ জন।

অনাগত সময়ত অসম চৰকাৰৰ কৃষি বিভাগৰ ফালৰ পৰা অনতিপলমে আধুনিক কৃষি যন্ত্ৰপাতি যোগানৰ ব্যৱস্থা কৰি থকা হৈ আছে।

**(গ)** কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ ধান, সৰিয়হ, মাকৈ আদি নূন্যতম সমৰ্থন মূল্যত ক্ৰয় কৰাৰ প্ৰয়াস কৰিছে। কৃষকৰ ID ৰ ব্যৱস্থা বাধ্যতামুলক কৰা হৈছে যাতে কৃষক আৰু মধ্যভোগীক সহজে চিনাক্ত কৰিব পাৰি।

কৃষকে গাইগুটিয়াভাৱে উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত উপযুক্ত মূল্য পাবলৈ কৃষক উৎপাদক সংস্থা (FPO) ৰ জৰিয়তে বিক্ৰীৰ বাবে ব্যৱস্থা লবলৈ পৰামৰ্শ দিয়া হৈছে।

*************